# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - -**

১। অসমত উদ্যোগৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি হোৱাৰ বাবে যোৱা দুবছৰত ৫০ লাখ টকাৰ বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সংবাদমেলত প্ৰকাশ।

২। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ মৰগীয়া বানচ ৪ শতাংশ বৃদ্ধি।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰা বাবে বিগত ১০ বছৰ অঞ্চলটোত উল্লেখনীয় পৰিৱৰ্তন সাধন হৈছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ প্ৰকাশ।

৪। ভাৰতৰ বিকাশৰ গতিক ৰোধ কৰিব পৰা কোনো শক্তি এতিয়া নাই বুলি বৰপেটাত দলীয় সভাত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ প্ৰকাশ।

৫। চৰকাৰী বিদ্যালয়ৰ শৈক্ষিক মান নিৰূপণৰ বাবে গুণোৎসৱ ২০২৪ৰ ফলাফল ঘোষণা। শিৱসাগৰ জিলাৰ প্ৰথম স্থান লাভ।

**আৰু**

৬। অহা ১৮ৰ পৰা ২৩ মাৰ্চলৈ নাগালেণ্ডত অনুষ্ঠিত হ'বলগীয়া তৃতীয় উত্তৰ-পূব ক্ৰীড়া সমাৰোহত অসমৰ ৩৭০ জনীয়া দলৰ অংশগ্ৰহণ।

০০০০০

অসম চৰকাৰে ৰাজ্যৰ কৰ্মচাৰীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ মৰগীয়া বানচ ৪ শতাংশ বৃদ্ধি কৰিছে। এই অনুসৰি অহা এপ্ৰিল মাহৰ দৰমহাৰ লগত ৪ শতাংশ মৰগীয়া বানচ যোগ হোৱাৰ বিপৰীতে পাবলগীয়া বকেয়া ধন চলিত বছৰৰ মে', জুন আৰু জুলাইত আদায় দিয়া হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। ইয়াৰ ফলত ৪ লাখ ৰাজ্যিক কৰ্মচাৰী আৰু প্ৰায় চাৰে ৩ লাখ পেঞ্চনাৰ উপকৃত হ'ব। এই বৃদ্ধিৰ ফলত ৰাজ্যৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৫০ শতাংশলৈ বৃদ্ধি পালে। মুখ্যমন্ত্ৰীয়ে ব'হাগ বিহু উপলক্ষে চৰকাৰী কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত লগতে কয় যে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত এতিয়াৰেপৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত বিদ্যালয়ত থকা গাঁওবোৰৰ পৰা আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত সংশ্লিষ্ট পঞ্চায়তৰ পৰা মেধাৰ ভিত্তিত নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি জানিবলৈ দিয়ে। অসমত উদ্যোগৰ বাবে অনুকুল পৰিৱেশ সৃষ্টি হোৱাৰ ফলতে যোৱা দুবছৰত ৰাজ্যখনত ৫০ লাখ কোটি

টকাৰ বিনিয়োগ হৈছে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰৰ সঠিক নীতিৰ বাবে কেইবাটাও  বৃহৎ কোম্পানী অসমত বিনিয়োগৰ বাবে আগ্ৰহী হৈছে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চল উদ্যোগ উন্নীতকৰণ আঁচনিৰ অধীনত ৰাজ সাহায্য হিচাপে কেন্দ্ৰীয় চৰকাৰে মুঠ ১০ হাজাৰ কোটি টকাৰ আৱণ্টন দিছে। ড° শৰ্মাই কয় যে এই আঁচনিৰ অধীনত ১ কোটি টকা পৰ্যন্ত ব্যয়সাপেক্ষ উদ্যোগ স্থাপন কৰাসকলক ৭ দশমিক ৫ শতাংশ ৰাজ সাহায্য প্ৰদান কৰা হ'ব। একে সময়তে বেংক ঋণতো তেওঁলোকে ৫ শতাংশ সকাহ লাভ কৰিব। তেওঁ কয় যে উৎপাদন খণ্ডৰ সৈতে জড়িত উদ্যোগ স্থাপন কৰাসকলেও এই আঁচনিৰ অধীনত কেন্দ্ৰীয় জি এছ টিৰ ধন ঘূৰাই পাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ঋণ নিশ্চয়তা আঁচনিৰ অধীনত মূলধনী ধন ঘূৰাই দিয়াৰ বাবে SIDBI-ৰ সৈতে হোৱা চুক্তি অনুসৰি বিভিন্ন ৰাষ্ট্ৰীয়কৃত বেংকে অসমৰ ক্ষুদ্ৰ উদ্যোগসমূহক ২০ হাজাৰ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে  কয় যে চৰকাৰে সেউজ শক্তি উদ্যোগত উৎসাহিত কৰাৰ নীতি, অসম বৈদ্যুতিক উদ্যোগক উৎসাহ প্ৰদান কৰাৰ ব্যৱস্থাও কৰিছে, যাতে অনাগত দিনত বিভিন্ন বৈদ্যুতিক সামগ্ৰীৰ উদ্যোগৰ ব্যৱস্থা কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে অনাগত দিনত ৰাজ্যখনত উদ্যোগৰ ক্ষেত্ৰত অধিক অগ্ৰসৰ হোৱাৰ পথ প্ৰশস্ত বুলিও মন্তব্য কৰে। তেওঁ কয় যে কাইলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। তদুপৰি কাইলৈ কামৰূপ মহানগৰ জিলাত ৪ খন উপ-জিলাৰ কাম-কাজ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। অসমৰ বাকী উপ-জিলাসমূহৰ  কাম-কাজ চলিত বৰ্ষৰ জুলাই মাহৰ পৰা আৰম্ভ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ যাতায়াত সুচল কৰাৰ উদ্দেশ্যে ভাৰতমালা পৰিযোজনাৰ অধীনত নিৰ্মিত বশিষ্ঠ উৰণ সেতু আৰু জয়ানগৰ আন্দাৰ পাছ মুকলি কৰে। ছটা লেনযুক্ত উৰণ সেতুখন মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত সুচল যাতায়াত, যান-জঁটমুক্ত পৰিৱেশ সৃষ্টি আৰু সময় ৰাহি কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে পথ আন্তঃগাঁথনি তথা উৰণ সেতু নিৰ্মাণত গুৰুত্ব দিছে। বশিষ্ঠ উৰণ সেতু প্ৰকল্পত ৪৭ কোটি টকা ব্যয় হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সামগ্ৰিক উন্নয়নৰ ওপৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰাৰ বাবেই বিগত ১০ বছৰত অঞ্চলটোত উল্লেখনীয় পৰিৱৰ্তন সাধন হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি আই আই টি, গুৱাহাটীত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে আৰোপ কৰা গুৰুত্বৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসকলৰ ভিতৰত প্ৰায় কেইগৰাকী মন্ত্ৰীয়ে যোৱা ১০ বছৰত ৮৫০ বাৰ অঞ্চলটো ভ্ৰমণ কৰিছে। আই আই টি, গুৱাহাটীত 'বিকশিত ভাৰত এম্বেছাদৰ কেম্পাছ ডাইলগ' শীৰ্ষক অনুষ্ঠানত মূল বক্তৃতা প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে আৰু অঞ্চলটোৰ যুৱ প্ৰজন্ম যথেষ্ট উৎসাহী আৰু উদ্যমী। প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবৰ ৰাজ্যসমূহক ভাৰতৰ উন্নয়নৰ ইঞ্জিন হিচাপে অভিহিত কৰিছে। আনহাতে, এই ৰাজ্যসমূহে সকলোধৰণৰ সুবিধা লাভ কৰাটো কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কোকৰাঝাৰ আৰু বৰপেটাত দুটাকৈ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰথমে কোকৰাঝাৰ ভ্ৰমণ কৰি ইউ পি পি এল-বিজেপি, আৰু অসম গণ পৰিষদ দলৰ কৰ্মকৰ্তাসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰাত উপস্থিত হোৱাৰ পাছত বড়োলেণ্ড স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৱে পৰম্পৰাগত পোচাক, এখন আৰনাই আৰু বড়ো থলুৱা বাদ্যযন্ত্ৰ চেৰজাৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আদৰণি জনায়। বৈঠকত অসম বিজেপিৰ সভাপতি ভৱেশ কলিতা, কেবিনেট মন্ত্ৰী ৰণজিত কুমাৰ দাস, কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে আজি বৰপেটাত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত এখন জনসভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰী সিঙে কয় যে ভাৰতবৰ্ষৰ বিকাশৰ গতি অপ্ৰতিৰোধ্য। সমগ্ৰ বিশ্বত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশৰ বিকাশৰ জয়যাত্ৰা উচ্চ শিখৰলৈ ধাৱমান হৈছে বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সভাত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। জনসভাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকী বৰপেটা সত্ৰ দৰ্শন কৰি সেৱা লয়। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে বৰপেটা সত্ৰৰ গৰিমাৰ বিষয়ে উল্লেখ কৰি সত্ৰখন দৰ্শন কৰাটো তেওঁৰ বাবে সৌভাগ্যৰ কথা বুলি মন্তব্য কৰে।

ooooo

ৰাজ্য চৰকাৰে ৩৭ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক লাভ কৰা অসমৰ ৫৫ গৰাকী খেলুৱৈক নিযুক্তি প্ৰদান কৰিছে। তদুপৰি ৪৭ গৰাকী অংশগ্ৰহণকাৰী খেলুৱৈ আৰু সংশ্লিষ্ট লোকক পাৰিতোষিক প্ৰদান কৰা হৈছে। ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি সম্পূৰ্ণ কৰাৰ লক্ষ্যৰ অংশ হিচাপে এই খেলুৱৈসকলক নিযুক্তি দিয়া হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ ফলত মুঠ নিযুক্তি ৯৭ হাজাৰ ৩০৭ লৈ বৃদ্ধি পালে।

ooooo

'এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন' সন্দৰ্ভত এখন উচ্চস্তৰীয় সমিতিয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ হাতত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত এই উচ্চস্তৰীয় কমিটিয়ে শ্ৰীমতী মুৰ্মুক আজি তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, পঞ্চদশ বিত্ত আয়োগৰ প্ৰাক্তন অধ্যক্ষ এন কে সিঙকে ধৰি অন্যান্যসকলৰ উপস্থিতিত এই প্ৰতিবেদন দাখিল কৰা হয়।

আইন আৰু ন্যায় মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন হৈছে অভিলাসী ভাৰতৰ মূল ভেটি। মন্ত্ৰালয়ে কৈছে যে, ১৮ হাজাৰ ৬২৬ পৃষ্ঠাৰ এই প্ৰতিবেদনখনত অংশীদাৰ আৰু বিশেষজ্ঞসকলৰ দিহা পৰামৰ্শৰ লগতে ১৯১ দিনৰ গৱেষণাৰ গুৰুত্বপূৰ্ণ দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক প্ৰগতি, আন্তঃগাঁথনি উন্নয়ন আদিকে ধৰি সমগ্ৰ শিক্ষা ব্যৱস্থাক মূল্যায়ন কৰাৰ বাবে অসম চৰকাৰে আৰম্ভ কৰা গুণোৎসৱ ২০২৪ৰ ফলাফল আজি ঘোষণা কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ফলাফল ঘোষণা কৰে। ৰাজ্যখনৰ ৩৩খন জিলাৰ ৪৩ হাজাৰ ৫৯১ খন বিদ্যালয় আৰু ৩৯ লাখ শিক্ষাৰ্থীক সামৰি লোৱা এই গুণোৎসৱত ৮১ শতাংশৰো অধিক বিদ্যালয়ে **এ প্লাছ** অথবা **এ গ্ৰেড** লাভ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে একেটা অনুষ্ঠানতে

২০২৩ বৰ্ষৰ গুণোৎসৱত এ প্লাছ্ গ্ৰেড লাভ কৰা ১২ হাজাৰ ৪৭ খন বিদ্যালয়ক পাৰিতোষিক প্ৰদান কৰে। ইফালে ঘোষিত ফলাফল অনুসৰি গুণোৎসৱত ২০২৪ত শিৱসাগৰ জিলাই ৰাজ্যৰ ভিতৰত শীৰ্ষস্থান দখল কৰিছে। জিলাখনৰ মূল্যায়ন কৰা ৭০০ বিদ্যালয়ৰ ভিতৰত ৪৩২ খনে **এ প্লাছ,** ২৪৩ খনে **এ-গ্ৰেড,** ২৩ খনে বিদ্যালয়ে **বি-গ্ৰেড** আৰু দুখন বিদ্যালয়ে **চি-গ্ৰেড** লাভ কৰিছে। জিলাখনৰ কোনো এখন বিদ্যালয়ে **ডি-গ্ৰেড** লাভ কৰা নাই। উল্লেখযোগ্য যে ৰাজ্যখনৰ ৩৩খন জিলাত অনুষ্ঠিত হোৱা এই মূল্যায়নত শিৱসাগৰ জিলাই ধাৰাবাহিকভাৱে পঞ্চমবাৰৰ বাবে শীৰ্ষস্থান দখল কৰিছে। ইফালে এই গুণোৎসৱত যোৰহাট জিলাই তৃতীয়স্থান দখল কৰিবলৈ সক্ষম হৈছে।

০০০০০

ৰাজ্যৰ সৰ্বাংগীণ উন্নয়নৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিকাশ যাত্ৰাৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ শুৱালকুছিত ১৫৩ কোটি টকা ব্যয়ৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন তথা শিলান্যাস কৰে। বস্ত্ৰ নগৰীখনত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে প্ৰথমে ১ কোটি ৩৩ লাখ টকা ব্যয়ৰে মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰা শুৱালকুছি ছুইমিং পুল তথা সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰে। ইয়াৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে ৯৯ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা শুৱালকুছি প্ৰৱেশদ্বাৰত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা আদৰণি তোৰণৰ বৰ্ধিত অংশ উদ্বোধন কৰে। এই কাৰ্যসূচীৰ পিছতে শুৱালকুছি এফ আৰ ইউত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪৪ কোটি ৮৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া ১০০খন বিছনাযুক্ত শুৱালকুছি চিকিৎসালয়ৰ উন্নীতকৰণৰ শিলান্যাস কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেলী ৪৪ কোটি ৯৯ লাখ টকাৰ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় আৰু পূব বংশৰ মহাবিদ্যালয়ৰ নিৰ্মাণ আৰু উন্নীতকৰণৰ শিলান্যাস কৰে। তদুপৰি তেওঁ কিচমত বংশৰৰ পৰা পাকৰকোণালৈ পথ নিৰ্মাণ, শুৱালকুছি শ্ৰীশ্ৰীশংকৰদেৱ ধামত শংকৰদেৱ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ শিলান্যাস, শুৱালকুছি আৰু পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন আৰু নৱীকৃত শুৱালকুছি ইনষ্টিউট অৱ ফেশ্বন টেকনʼলʼজিৰ শুভ উদ্বোধন কৰে। এই অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

০০০০০

নাগৰিকত্ব সংশোধনী আইনখন হৈছে নাগৰিকত্ব অধিকাৰ প্ৰদান কৰা এখন আইন আৰু এই আইনখনে কাৰো নাগৰিকত্বৰ অধিকাৰ খৰ্ব নকৰে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীশ্বাহে কয় যে নাগৰিকত্ব সংশোধনী আইনখনে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ হিন্দু, বৌদ্ধ, জৈন, শিখ, খ্ৰীষ্টিয়ান আৰু পাৰ্চী শৰনাৰ্থীসকলক তেওঁলোকৰ অধিকাৰ আৰু নাগৰিকত্ব প্ৰদান কৰিব। তেওঁ কয় যে এই আইনৰ অধীনত সকলোৱে সম অধিকাৰ লাভ কৰিব। নতুনকৈ নাগৰিকত্ব প্ৰদান কৰা এই লোকসকলক দেশৰ নাগৰিক হিচাপে নাগৰিকত্বৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব আৰু তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি সাংসদ, বিধায়ক, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী আদি হোৱাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, সংখ্যালঘুসকলে ভয় খোৱাৰ কোনো কাৰণ নাই যিহেতু নাগৰিকত্ব সংশোধনী আইনত কাৰোৱেই নাগৰিকত্ব কাঢ়ি লোৱাৰ কোনো ব্যৱস্থা নাই। তেওঁ কয় যে কোনো ব্যক্তিৰ বাবে দুৱাৰ বন্ধ কৰা হোৱা নাই আৰু মুছলমান লোকসকলৰো নাগৰিকত্বৰ বাবে আবেদন কৰাৰ অধিকাৰ আছে। মন্ত্ৰীগৰাকীয়ে

কয় যে, ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ২০১৪ চনৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ভাৰতত প্ৰৱেশ কৰা সকলো লোককেই দেশখনলৈ আদৰণি জনোৱা হৈছে।

০০০০০

কামৰূপ মহানগৰ জিলা প্ৰশাসনে ভোটদাতাৰ সুবিধাৰ্থে জৰাজীৰ্ণ হৈ পৰা ভোটকেন্দ্ৰ স্থানান্তৰ আৰু অতিৰিক্ত ভোটকেন্দ্ৰ সৃষ্টিৰ বাবে জনোৱা প্ৰস্তাৱত ভাৰতৰ নিৰ্বাচন আয়োগে অনুমোদন জনাইছে। সেই অনুসৰি ডিমৰীয়া বিধানসভা সমষ্টিৰ ৮৪ নম্বৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কেন্দ্ৰটো স্থান সলাই ৮৪ নম্বৰ চন্দ্ৰপুৰ জুনিয়ৰ বেচিক ভোটকেন্দ্ৰ কৰা হৈছে। একেটা বিধানসভা সমষ্টিৰে ৯২ নম্বৰ চন্দ্ৰপুৰ সাহিত্য সভা ভোটকেন্দ্ৰটোৰ স্থান সলাই ৯২ নম্বৰ উচ্চ মাধ্যমিক বিদ্যালয় ভোটকেন্দ্ৰ কৰা হৈছে। আনহাতে দিছপুৰ বিধানসভা সমষ্টিৰ ২ নম্বৰ মৰ্ডান ইংলিছ স্কুল ভোটকেন্দ্ৰ, ৮২ নম্বৰ নাৰবাম প্ৰাথমিক বিদ্যালয় ভোটকেন্দ্ৰ দুটাত এটাকৈ অতিৰিক্ত ভোটকেন্দ্ৰৰ সৃষ্টি কৰা হৈছে। একেদৰে কেন্দ্ৰীয় গুৱাহাটী বিধানসভা সমষ্টিৰ ১৪৫ নম্বৰ বেংগলী হাইস্কুল ভোটকেন্দ্ৰটোত এটা অতিৰিক্ত ভোটকেন্দ্ৰৰ সৃষ্টি কৰা হৈছে।

০০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত খুশ্ৰাবাৰীত আজি ইউ পি পি এল দলৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বাক্সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ বিপিএফ দলৰ পাৰিষদ জয় মুছাহাৰীসহ প্ৰায় ৩ হাজাৰ বিপিএফ কৰ্মীয়ে ইউ পি পি এলত যোগদান কৰে।

০০০০০

কামৰূপ জিলাৰ ৰঙিয়া কৃষক শ্বহীদ ভৱন প্ৰাংগণত আজি ৰাজ্যসভাৰ সাংসদ ভূৱনেশ্বৰ কলিতাৰ সাংসদ পুঁজিৰ ২৫ লাখ টকা ব্যয়ৰে এটা অত্যাধুনিক ফিজিউথেৰাপী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰি সাংসদ শ্ৰীকলিতাই এবছৰৰ কম সময়ৰ ভিতৰত কেন্দ্ৰটোৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ এই কেন্দ্ৰটোৰ জৰিয়তে দুখীয়া ৰোগীৰ বিনামূলীয়া চিকিৎসা কৰা হ'ব বুলিও কয়।

০০০০০

গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিৰ গড়মৰা চাপৰিত RIDF-ৰ আৱণ্টিত পুঁজিৰে ৩ দশমিক ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো পকীপথলৈ উন্নীতকৰণ কৰা হয়। এই কাম সম্পূৰ্ণ হোৱাৰ পিছত আজি স্থানীয় বিধায়ক মৃণাল শইকীয়াই পথটো ৰাইজৰ বাবে মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত আছিল।

০০০০০

অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ উদ্যোগত যোৰহাটত কাইলৈ জিলা পৰ্যায়ৰ শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হ'ব। সমাৰোহত জিলাখনৰ চৰকাৰী বিদ্যালয়সমূহৰ নৱম-দশম আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে দুটা শাখাত প্ৰকল্প উপস্থাপন কৰিব। উল্লেখযোগ্য যে ৫টা শিক্ষাখণ্ড পৰ্যায়ত ইতিমধ্যে অনুষ্ঠিত সমাৰোহৰ পৰা নিৰ্বাচিত শিক্ষাৰ্থীয়ে জিলা পৰ্যায়ৰ সমাৰোহখনত অংশগ্ৰহণ কৰিব। সমাৰোহৰ পৰা ৰাজ্যিক পৰ্যায়লৈ শিশু বিজ্ঞানী নিৰ্বাচিত কৰা হ'ব।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা-প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

ooooo

অহা ১৮ৰ পৰা ২৩ মাৰ্চলৈ নাগালেণ্ডত তৃতীয় উত্তৰ-পূব ক্ৰীড়া অনুষ্ঠিত হ'ব। নাগালেণ্ড চৰকাৰৰ সহযোগত নাগালেণ্ড অলিম্পিক সন্থাই আয়োজন কৰা এই প্ৰতিযোগিতাত উত্তৰ-পূবৰ কমেও ৮ খন ৰাজ্যৰ প্ৰায় আঢ়ৈ হাজাৰ খেলুৱৈ তথা বিষয়াই অংশ ল'ব। পুৰুষ আৰু মহিলাৰ মুঠ ১৫ বিধ খেল অনুষ্ঠিত হ'বলগীয়া এই ক্ৰীড়ালৈ অসম অলিম্পিক সন্থাই এটা ৩৭০ জনীয়া দল প্ৰেৰণ কৰিব।

ooooo

সমাপ্ত